**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-JUNE-2026
**Time :** 09-00 AM

## *Assamese Morning Bulletin*

———————————————

১। ইউৰোপীয় সংঘৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলৰ দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসম আগমন।
২। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ।
৩। কৃষিজাত আৰু সংসাধিত খাদ্য-সামগ্ৰী ৰপ্তানী উন্নয়ন প্ৰাধিকৰণৰ জৰিয়তে জি আই টেগযুক্ত তেজপুৰৰ এক টন সুস্বাদু লিচু ডুবাইলৈ প্ৰেৰণ।
৪। নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বড়ো, গাৰো, মণিপুৰী আৰু মাৰ মাধ্যমৰ শিক্ষকৰ বাবে অহা ২৮ জুনত বিশেষ টেট। **আৰু**
৫। ভাৰতৰ বিৰুদ্ধে টেষ্ট ক্ৰিকেটৰ প্ৰথম ইনিংছত আফগানিস্তানে কালি সংগ্ৰহ কৰা ১১৩ ৰানৰ পৰা আজিৰ খেল আৰম্ভ।

oooooo

ইউৰোপীয় সংঘৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দল দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ আহিব। এই ভ্ৰমণে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন খণ্ডত বিনিয়োগ আৰু নিয়োগৰ নতুন দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। প্ৰতিনিধি দলটোক অসমলৈ আদৰণি জনাই সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ইউৰোপীয় সংঘৰ প্ৰতিনিধি দলৰ অসম ভ্ৰমণে ভাৰত-ইউৰোপীয় সংঘৰ মাজত শক্তিশালী সম্পৰ্ক, বাণিজ্য সম্পৰ্ক আৰু উমৈহতীয়া প্ৰগতিৰ গুৰুত্বপূৰ্ণ অধ্যায়ৰ সূচনা কৰিব। তেওঁ কয়, যে ইউৰোপীয়ান ব্লু ভেলী ক্লাষ্টাৰ উদ্যোগৰ অধীনত অসম আৰু ইউৰোপীয় সংঘৰ পাৰস্পৰিক ঔদ্যোগিক সক্ষমতাসমূহক একত্ৰিত কৰি জৈৱ আধাৰিত মূল্য সংযোজনৰ বাবে সুসংহত আৰু সমন্বিত ব্যৱস্থা গঢ়ি তোলা হ'ব। ইয়াৰ ফলত কৃষি, খাদ্য প্ৰসংস্কৰণ, জৈৱ প্ৰযুক্তি, শক্তি আদি বিভিন্ন ক্ষেত্ৰত উদ্ভাৱন, বিনিয়োগ আৰু প্ৰযুক্তিগত অৰ্থনৈতিক বিকাশৰ সুযোগ সৃষ্টি কৰিব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে।

oooooo

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আজি আৰম্ভ হ'ব। বিচাৰৰ প্ৰথম দিনটোতে আদালতে ৪ জন সাক্ষীক তলব কৰিছে। আদালতে গোচৰ সংক্ৰান্তত মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এজাহাৰ দাখিল কৰা ৰাতুল বৰা, মৰিগাঁৱৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ শইকীয়া, আৰু আৰক্ষী পৰিদৰ্শক ভাস্কৰ বৰ্মনক আজি আদালতত হাজিৰ হৈ সাক্ষ্য দিবলৈ নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে ফাষ্টট্ৰেক আদালতে যোৱা ২৬ মে'ত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপ কৰিছিল। ইয়াৰ ভিত্তিত আদালতে আজিৰ পৰা প্ৰতিদিনে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰিব।

oooooo

কৃষিজাত আৰু সংসাধিত খাদ্য-সামগ্ৰী ৰপ্তানী উন্নয়ন প্ৰাধিকৰণ, এপেডাৰ জৰিয়তে জি আই টেগযুক্ত তেজপুৰৰ এক টন সুস্বাদু লিচু ডুবাইলৈ প্ৰেৰণ কৰা হৈছে। তেজপুৰত যোৱা শনিবাৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত দ্বিতীয় বাৰ্ষিক লিচু উৎসৱৰ অন্তিম দিনা তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভা, জিলা আয়ুক্ত আনন্দ কুমাৰ দাস, এপেডাৰ বিষয়ববীয়া তথা জিলা কৃষি বিষয়াই পতাকা জোকাৰি লিচু ৰপ্তানি প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰে। বিধায়ক ৰাভাই লিচু খেতিয়কসকলৰ লগতে তেজপুৰবাসীৰ বাবে এয়া অতি আশাব্যঞ্জক খবৰ বুলি উল্লেখ কৰি দুই-এদিনতে ছিংগাপুৰ, থাইলেণ্ডকে ধৰি আন কেইবাখনো দেশলৈ লিচু ৰপ্তানি কৰা হ'ব বুলি উল্লেখ কৰে।

**বাইট (পৃথ্বীৰাজ ৰাভা)**

লিচু উৎসৱৰ কালি অন্তিম দিনা তেজপুৰ বিশ্ববিদ্যালয়ৰ খাদ্য আৰু অভিযান্ত্ৰিক বিভাগৰ সহযোগত **খাদ্য প্ৰযুক্তি আৰু লিচু** শীৰ্ষক এখন আলোচনা সত্ৰ অনুষ্ঠিত হয়। এই আলোচনা সত্ৰত সমল ব্যক্তিসকলে লিচুৰ পৰা স্থায়ীভাৱে বিভিন্ন খাদ্য-সামগ্ৰী প্ৰস্তুত কৰিব পৰাৰ যথেষ্ট থল আছে বুলি মন্তব্য কৰে। এই ঋতুকালীন ফলবিধৰ পৰা সংসাধিত খাদ্য প্ৰস্তুত কৰিব পৰা সম্ভাৱনাৰ ওপৰত আৰোপ কৰি এনে বিষয়সমূহৰ প্ৰতি থলুৱা উদ্যোগীসকল আগবাঢ়ি আহিলে এই লাভজনক ব্যৱসায়ত পৰিণত হ'ব বুলি সমল ব্যক্তিসকলে ব্যক্ত কৰে।

আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰা তেজপুৰৰ লিচুৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে নতুন প্ৰজন্মক লিচু খেতি কৰাৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে আয়োজন কৰা লিচু উৎসৱত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লোকৰ লগতে বেংগালুৰু, চেন্নাই, পশ্চিমবংগ, কেৰলম ৰাজ্যৰো লোকসকলে অংশগ্ৰহণ কৰে।

০০০০০০

নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বড়ো, গাৰো, মণিপুৰি আৰু মাৰ মাধ্যমৰ শিক্ষকৰ বাবে অহা ২৮ জুনত বিশেষ টেট অনুষ্ঠিত হ'ব। অসম চৰকাৰৰ ৰাজ্যিক পৰ্যায়ৰ অধিকাৰপ্ৰাপ্ত টেট সমিতিয়ে এই সন্দৰ্ভত জাৰি কৰা অধিসূচনা অনুসৰি পৰীক্ষাৰ্থীসকলে অহা ১২ জুনৰ দিনৰ ১১ বজাৰ পৰা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.sebaonline.org ৰ পৰা প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। পৰীক্ষাৰ্থীসকলে প্ৰৱেশ পত্ৰৰ সৈতে যিকোনো এখন ফটোযুক্ত পৰিচয় পত্ৰ পৰীক্ষাৰ দিনা লগত নিব লাগিব। তদুপৰি পৰীক্ষা কেন্দ্ৰৰ ভিতৰলৈ ম'বাইল ফোন, কোনো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী, ডিজিটেল ঘড়ী আদি লগত নিব নোৱাৰিব।

০০০০০০

অহা ২১ জুনত হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা আৰু প্ৰৱেশ পৰীক্ষা, নীট অনুষ্ঠিত হ'বলগীয়া চহৰসমূহৰ নাম ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰিছে। সংস্থাটোৱে জাৰি কৰা অধিসূচনা অনুসৰি ২১ জুনত দেশৰ ৫৫১ খন চহৰ আৰু বিদেশৰ ১৪ খন চহৰত বিয়লি ২ বজাৰ পৰা ৫ বাজি ১৫ মিনিটলৈ নীটৰ পুনৰ পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষা হ'বলগীয়া চহৰৰ সূচনা পত্ৰখন প্ৰৱেশ পত্ৰ নহয় আৰু কেৱল পৰীক্ষাৰ্থীসকলক তেওঁলোকৰ পৰীক্ষা কেন্দ্ৰৰ বিষয়ে অৱগত কৰোৱাৰ বাবেহে এয়া প্ৰকাশ কৰা হৈছে বুলি ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই স্পষ্ট কৰি দিছে। সংস্থাটোৱে লগতে পৰীক্ষা আৰু প্ৰৱেশ পত্ৰৰ শেহতীয়া তথ্যৰ বাবে ইয়াৰ অফিচিয়েল ৱেবছাইট পৰীক্ষা কৰি থাকিবলৈ পৰীক্ষাৰ্থীসকলক আহ্বান জনাইছে।

উল্লেখযোগ্য যে চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে নীট-ইউজি যোৱা ৩ মে'ত অনুষ্ঠিত হৈছিল যদিও প্ৰশ্নকাকত ফাদিলৰ অভিযোগত ১২ মে'ত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই নীট বাতিল কৰে। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই সম্প্ৰতি বিষয়টো তদন্ত কৰি আছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা ২৩ জুনত ২০২৬ বৰ্ষৰ পদ্ম বঁটাসমূহ প্ৰদান কৰিব। এই পৰ্যায়ত মুঠ ৬৫ গৰাকী ব্যক্তিক এই সন্মান প্ৰদান কৰা হ'ব। যোৱা মাহত ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত প্ৰথম পৰ্যায়ত ৬৬গৰাকী ব্যক্তিক পদ্ম বঁটা প্ৰদান কৰা হৈছিল। পদ্ম বঁটা প্ৰদানৰ দ্বিতীয় পৰ্যায়ত অসমৰ যোগেশ দেউৰী, নুৰুদ্দিন আহমেদ, পখিলা লেকথেপী আৰু মৰণোত্তৰভাৱে কবিন্দ্ৰ পুৰুকায়স্থক এই সন্মান প্ৰদান কৰা হ'ব।

বিশিষ্ট কণ্ঠশিল্পী পখিলা লেকথেপীক কলা শিতানলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে এইবেলি পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হ'ব। ১৯৬২ চনত কাৰ্বি আংলং জিলাৰ ডকমকাৰ টিমুং গাঁৱত জন্ম লাভ কৰা শ্ৰীমতী লেকথেপীয়ে বিগত চাৰি দশকৰো অধিক কাল ধৰি কাৰ্বি সংগীতৰ সাধনা আৰু চৰ্চা কৰি আহিছে। কাৰ্বি সংগীতৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বাবে তেওঁক ২০১১ চনত হিল্‌ছ্ আইডলে 'কুইন অব্ মেল'ডি' উপাধিৰে সন্মানিত কৰে। ২০০৯ চনত সদৌ গুৱাহাটী ছাত্ৰ সন্থাই তেওঁক স্বভাৱশিল্পী অমূল্য কাকতি স্মৃতি বঁটা প্ৰদান কৰে।

২০১৮ চনত গুৱাহাটীৰ শোধনাগাৰে লুইত গৌৰৱ সন্মান আৰু ২০২৩ চনত অসম চৰকাৰে তেওঁক শিল্পী বঁটা আৰু শিল্পী পেঞ্চন প্ৰদান কৰে। ২০২৪ চনত এইগৰাকী কিংবদন্তি শিল্পীক অসম চৰকাৰে অসম গৌৰৱ বঁটাৰে সন্মানিত কৰে। পখিলা লেকথেপী আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ কাৰ্বি গীতৰ এগৰাকী স্বীকৃত কণ্ঠশিল্পী। তেওঁ জুবিন গাৰ্গ, বিদ্যাসিং ৰংপি আদিৰ দৰে অতি জনপ্ৰিয় শিল্পীসকলৰ লগতো গীত পৰিৱেশন কৰিছে।

০০০০০০

বাক্সা জিলা সাহিত্য সভাৰ বৰিমাখা আঞ্চলিক শতদল শাখা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশন কালি অনুষ্ঠিত হয়। পি এম শ্ৰী আনন্দপুৰ প্ৰাথমিক বিদ্যালয় চৌহদত অনুষ্ঠিত এই অধিৱেশনত আঞ্চলিক সাহিত্য সভাৰ সভাপতি সম্পাদককে ধৰি ভালেসংখ্যক সদস্য তথা সাহিত্যপ্ৰেমী উপস্থিত থাকে। এই অধিৱেশনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা ড° সমৰ তালুকদাৰে অসমীয়া ভাষা বিভিন্ন সময়ত সংকটৰ সন্মুখীন হৈ আহিছে আৰু সেই সংকট নিৰাময়ৰ বাবে সাহিত্য সভাই নিষ্ঠাৰে কাম কৰি আহিছে বুলি প্ৰকাশ কৰে। অধিৱেশনৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত এখন চিত্ৰাংকন প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

০০০০০০

মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই উদ্যানখনৰ বাঁহবাৰী বনাঞ্চলত কালি এখন ঘাঁহনি নাৰ্চাৰী মুকলি কৰে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালক ড০ চি ৰমেশৰ উপস্থিতিত প্ৰধান মুখ্য বন সংৰক্ষক বিনয় গুপ্তই এই ঘাঁহনি নাৰ্চাৰী আনুষ্ঠানিকভাৱে মুকলি কৰে। ইয়াৰ জৰিয়তে ৰাষ্ট্ৰীয় উদ্যানখনত তৃণভোজী প্ৰাণীৰ বাবে খাদ্য যোগানৰ লক্ষ্য লোৱা হৈছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় উদ্যানখনত অপতৃণই আৱৰি ধৰাৰ ফলত ঘাঁহনি অঞ্চল ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। কালি বাঁহবাৰী বনাঞ্চলত এনে অপতৃণসমূহ আঁতৰাই

উলুখেৰ, কাঁহিবন, বিৰিণা বন, কহুঁৱাকে ধৰি প্ৰায় ১৬ বিধ ঘাঁহনিৰ বীজ ছটিওৱা হয়। এই সন্দৰ্ভত ক্ষেত্ৰ সঞ্চালক ড০ চি ৰমেশে সাংবাদিকৰ আগত এইদৰে কয়–

**বাইট (ড০ চি ৰমেশ)**

০০০০০০

গোৱালপাৰা বন সংমণ্ডলৰ বন সংমণ্ডল প্ৰাধিকাৰী তেজস মৰিস্বামীৰ অধীনত কেইবাটাও যুঁটীয়া বন পৰিচালনা সমিতিৰ সদস্যসকলে ব্যতিক্ৰমী কামেৰে ধন উপাৰ্জন কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰে কল্যাণপুৰ যুঁটীয়া বন পৰিচালনা সমিতিৰ ২৫ গৰাকী মহিলাই বন বিভাগৰ মাটিত 'দা গ্ৰীণ কেফে' নামেৰে খোলা এখন ৰেষ্টুৰেণ্টৰ জৰিয়তে বছৰি কেইবালাখ টকা উপাৰ্জন কৰিছে। ২০২৫ বৰ্ষত ২৫ গৰাকী মহিলাৰ দ্বাৰা পৰিচালিত এই সমিতিয়ে ৬৭ লাখ ৯৯ হাজাৰ টকাৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে। ৰেষ্টুৰেণ্টখনত খোৱা খাদ্যৰ লগতে ঘৰতে প্ৰস্তুত কৰা আচাৰ, জাম, জেলী, চিপ্‌ছ, মৌ, জৈৱিক সাৰ প্ৰয়োগ কৰি উৎপাদন কৰা শাক-পাচলি, হস্ততাঁত বস্ত্ৰ আৰু হস্তনিৰ্মিত শিল্প আদি বিক্ৰী কৰি সমিতিয়ে যথেষ্ট ধন উপাৰ্জন কৰিছে।

০০০০০০

ডিব্ৰুগড়ৰ হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ত কালি 'আবৃত্তি মহাৰণ' শীৰ্ষক এখন একক কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত ডং ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে জিলাভিত্তিক এই প্ৰতিযোগিতা অনুষ্ঠিত হয়। মুঠ ১১২ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি তথা আবৃত্তিকাৰ ৰিজুমণি শইকীয়া তামুলীয়ে আবৃত্তিক বিদ্যায়তনিক বিষয় হিচাপে প্ৰতিষ্ঠা আৰু প্ৰসাৰৰ বাবে পৰিষদে প্ৰচেষ্টা চলাই অহা বুলি প্ৰকাশ কৰে। সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈয়ে এই প্ৰতিযোগিতাৰ উদ্বোধন কৰি পৰিষদৰ প্ৰশংসা কৰে। অসমীয়া ভাষা বৰ্তমান সংকটৰ মুহূৰ্তত আছে বুলি মন্তব্য কৰি বিশিষ্ট সাহিত্যিক ডং শশীকান্ত শইকীয়াই কয়, যে আবৃত্তি চৰ্চাৰ জৰিয়তে ভাষাটোক জীয়াই ৰাখিব পাৰি। প্ৰতিযোগিতাখনত অংশগ্ৰহণকাৰীসকলৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজত নিউ চণ্ডিগড়ত অনুষ্ঠিত টেষ্ট ক্ৰিকেটৰ প্ৰথম ইনিংছত আফগানিস্তানে কালি প্ৰথম দিনাৰ অন্তত ৫ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১১৩ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব। দলটো সম্প্ৰতি ভাৰততকৈ ৪৫১ ৰানত পিছপৰি আছে। দলৰ হৈ ৰহমত শ্বাহে কালি ৪৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। ভাৰতীয় দলত প্ৰথমবাৰৰ বাবে অন্তৰ্ভুক্ত হোৱা মানৱ চুথাৰে ৩টা উইকেট দখল কৰাৰ বিপৰীতে প্ৰসিদ্ধ কৃষ্ণাই দুটা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে ভাৰতে কালি নিজৰ প্ৰথম ইনিংছৰ সামৰণিত ৮ উইকেটৰ বিনিময়ত ৫৬৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ অধিনায়ক সুভমন গীলে ১২৬ ৰান কৰাৰ লগতে কে এল ৰাহুলে ১০০ ৰান কৰে। ঋষভ পণ্ট আৰু সাই সুদৰ্শনে ৮১ ৰানকৈ বৰঙণি আগবঢ়ায়। ৱাশ্বিংটন সুন্দৰ ৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। আফগানিস্তানৰ চলিম ছাফিয়ে ৬টা উইকেট লাভ কৰে।

০০০০০০

সাধাৰণ জনতাৰ বাবে বিলাসী সামগ্ৰী হোৱাৰ দিশে ঘৰুৱা গেছ চিলিণ্ডাৰ, ১৬ গৰাকী মন্ত্ৰীক ৩৫ খন জিলাৰ অভিভাৱকৰ দায়িত্ব অৰ্পণ, মহাকাশত কৃত্ৰিম বুদ্ধিমত্তাৰ অভিনৱ মহাকালৰ সূচনা – পৃথিৱীৰ

দুৰ্যোগ চিনাক্ত কৰিব মহাকাশৰ ‘পৃথ্বী’য়ে, পহিলা জুলাইত গুৱাহাটীলৈ জাপানৰ প্ৰধানমন্ত্ৰী ছানাএ টাকাইচি আদি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

‘ৰান্ধনী ঘৰত দুৰ্মূল্যৰ জুই জুলাই তিনিমাহত দ্বিতীয়বাৰলৈ বাঢ়িল ঘৰুৱা ৰন্ধন গেছৰ দাম’ শীৰ্ষক এটা বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো কেইবাখন কাকতে ‘এহেজাৰ ১০০ টকা পৰ্যন্ত বৃদ্ধি ৰন্ধন গেছৰ দাম’, ‘পুনৰ বাঢ়িল ৰন্ধন গেছৰ দাম’, ‘ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ২৯ টকা বৃদ্ধিত দেশজুৰি ক্ষোভ’ শিৰোনামেৰে প্ৰকাশ কৰিছে। ‘অসম বিৰোধী শ্ল’গানত উত্তাল চেৰাবভাটীৰ আৰ্যনগৰ, গুৱাহাটীতেই অসমীয়া গ’ বেক ধ্বনি’ শীৰ্ষক এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতৰ শিৰোনাম ‘দপ্তৰ বিতৰণৰ পূৰ্বে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ পদক্ষেপ - ১৬ গৰাকী মন্ত্ৰীক জিলাসমূহৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব অৰ্পণ’ বাতৰিতো **আমাৰ অসম** কাকতে বঞ্চিতক মুখ্যমন্ত্ৰীৰ সংস্থাপন, বহু বিধায়কৰ দাবী নিগম-নিকায়ো শিৰোনামেৰে প্ৰকাশ কৰিছে। আজিৰ পৰা আৰম্ভ জুবিন মৃত্যু গোচৰৰ বিচাৰ প্ৰক্ৰিয়া - এই বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত ভিন্ন শিৰোনামেৰে স্থান দিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ দিশেই গতি কৰিছে ৰাজ্যৰ এখন ঐতিহ্যমণ্ডিত শিক্ষা প্ৰতিষ্ঠান – নাই আন্তঃগাঁথনি, নাই পৰ্যাপ্ত শীৰ্ষক – কটন বিশ্ববিদ্যালয়ত বন্ধ হ’ব দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম শীৰ্ষক এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। নিৰ্বাচনী প্ৰতিশ্ৰুতি ৰূপায়ণত তৎপৰতা ডঃ শৰ্মা চৰকাৰৰ, ২ লাখ চৰকাৰী চাকৰিত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ শীৰ্ষক বাতৰিটোক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দা ছেণ্টিনেল** কাকতখনে ‘SOUTH-WEST MONSOON ARRIVES IN NE’ শিৰোনামৰ এটা বাতৰি প্ৰধান বাতৰিৰূপে প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে ‘EU TEAM ON 2-DAY VISIT TO STATE’ শীৰ্ষক এটা বাতৰি মুখ্য বাতৰিৰ স্থান দিছে।

এতিয়া পুনৰ উভতি আহিছো বাতৰিৰ মাজলৈ।

০০০০০০

বতৰৰ বতৰা–

দক্ষিণ-পশ্চিম মৌচুমী বতাহে উত্তৰ-পূবৰ প্ৰায় অংশ আৱৰি ধৰিছে আৰু অহা ৩-৪ দিনত বাকী অংশতো ইয়াৰ প্ৰভাৱ পৰিব বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা ১৩ জুনলৈ পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত কোনো কোনো অংশত বিজুলী-ঢেৰেকনিৰে প্ৰবল বৰষুণ হোৱাৰো সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

০০০০০০

**সমাপ্ত**